

# মেজাংকৰী ঃ এজোপা গছ, এডাল সূতা

ড° আন্না গগৈ

মুগা পলুক মেজাংকৰী গছৰ পাত খুৱালে মেজাংকৰী সূতা পোৱা যায়। তাৰ পৰা তৈয়াৰী কাপোৰেই মেজাংকৰী কাপোৰ বা মেজাংকৰী। সাধাৰণ পাটৰ কাপোৰতকৈ মেজাংকৰী কাপোৰ বেছি মূল্যৱান। অসমত আহোম ৰাজত্বৰ কালছোৱাত আহোম ৰাজপৰিয়াল, ডা-ডাঙৰীয়া আৰু সম্ভ্ৰান্ত লোকসকলৰ মাজতহে মেজাংকৰী কাপোৰৰ অধিক প্ৰচলন আছিল।

‘ইতিহাসে সোঁৱৰা ছশটা বছৰ’ নামৰ কিতাপখনত লেখক সৰ্বানন্দ ৰাজকুমাৰে লিখিছে—“সিংহাসনত ৰজাই বহিবলৈ প্ৰথমে ভৰিত সোণৰ বাখৰ-পতা নেপূৰ পিন্ধিব। সেই নেপূৰতে সোণৰ গুণাৰে বন্ধা উজণ্টি। সেই উজণ্টিতে লগা দহোটা আঙুলিত দহোটা আঙঠি পিন্ধায়। তাৰ পাছত মিহি পাট বা মেজাংকৰী চুৰিয়া পিন্ধায়। ...পাট বা মেজাংকৰী কাপোৰ হৰিণা পহুৰ ছালৰ তলিয়ৰি দি চিলাই কৰি, চাৰিওমূৰে বন্ধা চুলতানি বনাত মৰা, ওপৰত সোণৰ গুণাৰে দেখিবলৈ ভাল লতা আৰু ফুলবছা পয়জাৰে (জোতা) আহোম ৰজাসকলৰ পদ শুৱাইছিল।”

মেজাংকৰী কাপোৰ আহোম ৰাজত্বৰ গৌৰৱ আৰু মৰ্যাদাৰ প্ৰতীক আছিল। কিন্তু আহোম ৰাজত্বৰ বেলি মাৰ যোৱাৰ লগে লগে মেজাংকৰী কাপোৰৰ উৎপাদনো লাহে লাহে কমি আহি এতিয়া লুপ্তপ্ৰায় হ’লহি।

মুগা, এৰী আৰু পাট—এই তিনিবিধ অসমৰ থলুৱা শিল্প। আহোম যুগত ৰেচম শিল্পই বিস্তৃতভাৱে প্ৰসাৰতা লাভ কৰিছিল। আহোম ৰজাসকলে পাট-পলু, মুগা আৰু এৰী পোহা শিল্প আৰু তাৰ সূতাৰে কাপোৰ বোৱা শিল্পত বিশেষ গুৰুত্ব দিছিল। মুগা পলুৰ খাদ্য হৈছে চোম, সোঁৱালু, মেজাংকৰী, দীঘলতি, পাতিসোন্দা, গমাৰি, পানচপা, কঠলুৱা, বগৰি, নুনী, কেচেৰু আদি গছৰ পাত। আহোম ৰাজত্বকালত ৰাজ্যখনৰ প্ৰায় সকলো লোকে মুগা পুহিবৰ বাবে চোম, সোঁৱালু, দীঘলতি, মেজাংকৰী, কেচেৰু, নুনী, পাণচঁপা আদি গছ ৰুই লৈছিল।

মুগাই সাধাৰণতে চোম গছৰ পাত খায়।

◆◆

***মুগাই সাধাৰণতে চোম গছৰ পাত খায়। সোঁৱালু আৰু দীঘলতি পাত খুৱায়ো মুগা তোলা হয়। চোম আৰু সোঁৱালুৰ পাত খুৱালে মুগা পলুৰ পৰা সোণালী-হালধীয়া মুগা সূতা পোৱা যায়। মুগাৰ পলুকেই যদি মেজাংকৰী গছৰ পাত খুউৱা হয় তেতিয়া ৰূপালী বৰণৰ সূতা পোৱা যায়, তাক মেজাংকৰী বোলা হয়। চোম আৰু সোঁৱালুৰ পাত খোৱা মুগা পলুৱে দিয়া সূতাতকৈ মেজাংকৰীৰ পাত খোৱা মুগা পলুৱে দিয়া সূতা বেছি ওজনৰ, টান, উজ্জ্বল, মিহি আৰু অনন্য ৰূপালী বৰণৰ হয় বাবে মেজাংকৰী সূতাৰ মূল্য মুগা সূতাতকৈ পাঁচ গুণে বেছি।***

◆◆◆

সোঁৱালু আৰু দীঘলতি পাত খুৱায়ো মুগা তোলা হয়। চোম আৰু সোঁৱালুৰ পাত খুৱালে মুগা পলুৰ পৰা সোণালী-হালধীয়া মুগা সূতা পোৱা যায়। মুগাৰ পলুকেই যদি মেজাংকৰী গছৰ পাত খুউৱা হয় তেতিয়া ৰূপালী বৰণৰ সূতা পোৱা যায়, তাক মেজাংকৰী বোলা হয়। চোম আৰু সোঁৱালুৰ পাত খোৱা মুগা পলুৱে দিয়া সূতাতকৈ মেজাংকৰীৰ পাত খোৱা মুগা পলুৱে দিয়া সূতা বেছি ওজনৰ, টান, উজ্জ্বল, মিহি আৰু অনন্য ৰূপালী বৰণৰ হয় বাবে মেজাংকৰী সূতাৰ মূল্য মুগা সূতাতকৈ পাঁচ গুণে বেছি। পানচপা গছৰ পাত খুৱাই মুগা পকালে চপা-পাট পোৱা যায়, যি কাপোৰ অতি মূল্যৱান। মেজাংকৰী কাপোৰো অতি মূল্যৱান, অতি মানী আৰু আদৰৰ। আহোম ৰাজত্বকালত এই শিল্প বৰ উন্নত আছিল। পুৰণি কামৰূপ ৰাজ্যত বৰ্মন বংশৰ ৰাজত্বকালতো বস্ত্ৰ শিল্পই কিছু উৎকৰ্ষ লাভ কৰিছিল। বাণভট্টৰ ‘হৰ্ষচৰিত’ত উত্তৰ ভাৰতৰ ৰজা হৰ্ষবৰ্ধনলৈ কামৰূপৰ ৰজা ভাস্কৰ বৰ্মনে পঠোৱা উপঢৌকনত দুবিধ পাটৰ কাপোৰৰ কথা উল্লেখ আছে। আহোম ৰাজত্বকালত ৰজা-ৰাণী আৰু ডা-ডাঙৰীয়াসকলৰ মেজাংকৰীৰ সাজপাৰৰ ভিতৰত পাট বা মেজাংকৰী কাপোৰত সোণৰ গুণাৰে লতা আৰু ফুলবছা পয়জাৰ, স্বৰ্গদেউৰ মেজাংকৰীৰ চুৰিয়া, ৰাণী বা ৰাজমাওসকলৰ মেজাংকৰী জোলা ফুলবছা ৰিহা, মেজাংকৰী গুণা কটা হাত দীঘল চোলা আদি প্ৰধান। ৰাজনৈতিক সম্পৰ্ক সুদৃঢ় কৰি ৰাখিবলৈ আহোম স্বৰ্গদেউসকলে বিভিন্ন ৰজালৈ অন্যান্য সামগ্ৰীৰ লগতে বহুতো মূল্যৱান কাপোৰো পঠাইছিল। বৰ্তমান ৰূপালী মেজাংকৰী সূতা প্ৰায় লুপ্ত। সোণালী মুগা-সূতা ভাৰতত বাদেই পৃথিৱীতে বিখ্যাত হৈছে।

অসম আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ জলবায়ু মুগা পোহাৰ বাবে অনুকূল। অসমৰ মুগাশিল্পক মূলতঃ নিয়ন্ত্ৰণ কৰে অসমৰ জলবায়ু আৰু মুগাৰ খাদ্য হিচাপে ব্যৱহৃত গছৰ পৰ্যাপ্তিয়ে। সমগ্ৰ অসমতে কম-বেছি পৰিমাণে মুগা পোহা হয় যদিও মুগা পোহা অঞ্চলসমূহৰ ভিতৰত উজনি অসমৰ লখিমপুৰ আৰু শিৱসাগৰ জিলাই প্ৰধান। যোৰহাট আৰু গোলাঘাট জিলাৰো কিছু কিছু ঠাইত মুগা পোহা হয়। নামনি অসমৰ বকো, ক্ষেত্ৰী, হাহিম, শুৱালকুছি আদি ঠাইত মুগা পোহা হয়। লখিমপুৰ জিলাৰ ঢকুৱাখনা, ঘিলামৰা, পানীগাঁও, নাৰায়ণপুৰ, বিহপুৰীয়া, বৰদলনি আদি ঠাইৰ বহুতো লোক এই শিল্পৰ সৈতে জড়িত। শিৱসাগৰ জিলাৰ চাৰিং, আমগুৰি, জাঁজী, নামতি, শিমলুগুৰি, লাকুৱা, মথুৰাপুৰ, ভজো, মাহমৰা, পানীদিহিং আদি অঞ্চলৰ উপৰিও ডিব্ৰুগড় জিলাৰ মৰাণ,